# দেশত তলাবন্ধত চৰকাৰী নিৰ্দেশনা ঃ ৰেহাই ক'ত?

- ভাৰত চৰকাৰ, ইয়াৰ অধীনস্থ আৰু ৰাজহুৱা নিগমৰ সকলো কাৰ্যালয় বন্ধ থাকিব।
- ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় শাসিত অঞ্চলসমূহ তেওঁলোকৰ স্বায়ত্তশাসিত পৰিষদসমূহ, নিগম আদি বন্ধ থাকিব।
- বাণিজ্যিক আৰু ব্যক্তিগত প্ৰতিষ্ঠান বন্ধ থাকিব।
- ঔদ্যোগিক প্ৰতিষ্ঠান বন্ধ থাকিব।
- সকলো পৰিবহণ ব্যৱস্থা— আকাশমাৰ্গ, ৰেল, পথ যোগাযোগ বন্ধ থাকিব।
- হোটেল আদি বন্ধ থাকিব।
- সকলো শিক্ষা, প্ৰশিক্ষণ, গৱেষণা, কোচিং প্ৰতিষ্ঠান বন্ধ থাকিব।
- সকলো ধৰণৰ ৰাজহুৱা উপাসনাস্থল বন্ধ থাকিব।
- কোনো ধৰণৰ ধৰ্মীয় সমাবেশৰ অনুমতি দিয়া নহ'ব।
- মৃতদেহ সৎকাৰৰ বাবে ২৫জনতকৈ অধিক লোক সমবেত হ'ব নোৱাৰিব।
- যিসকল লোকে ১৫ ফেব্ৰুৱাৰীৰ পাছত ভাৰতত উপস্থিত হৈছে আৰু এনে সকলো লোক যিসকলক স্বাস্থ্য সেৱাকৰ্মীয়ে ঘৰ অথবা প্ৰতিষ্ঠানত কোৱাৰেণ্টাইন হৈ থাকিবলৈ কৈছে, তেওঁলোকে এই নিৰ্দেশ অমান্য কৰিলে ন্যায়িক শাস্তিৰ সন্মুখীন হ'ব।
- এই পদক্ষেপ বলবতৰ বাবে কাৰ্যবাহী দণ্ডাধীশক স্থানীয়ভাৱে নিয়োগ কৰা হ'ব।
- সকলো বলবৎকাৰী কৰ্তৃপক্ষই এই কথা লক্ষ্য ৰাখিব লাগিব যে সমস্ত কঠোৰ নিষেধাজ্ঞা মানুহৰ চলাচলৰ বাধাৰ বাবে অথবা জৰুৰীকালীন সামগ্ৰীৰ প্ৰতি নহয়।
- ২৫ মাৰ্চৰ পৰা ২১ দিন দেশজুৰি এই নিষেধাজ্ঞা বাহাল থাকিব।